
# অসম আদিত্য

২৯ জেঠ, ১৯৪৭ শক ■ শুকুৰবাৰ, ১৩ জুন, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, June 13, 2025

## কানৈ মহাবিদ্যালয়ৰ ৮০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১২ জুন ঃ** ১৯৪৫ চনৰ ১৫ জুনত 'ডিব্ৰুগড় কলেজ' নামেৰে প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনে ১৯৫০ চনৰ ২৫ জুলাইৰ পৰা 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়' নামেৰে জনাজাত হয়। সম্প্ৰতি যিটো ভৱনত কানৈ মহাবিদ্যালয় জিলিকি আছে, সেই ভৱনটো ১৯৫৫ চনৰ ৯ ফেব্ৰুৱাৰীত অসমৰ বিত্ত মন্ত্ৰী মতীৰাম বৰাই আধাৰশিলা স্থাপন কৰিছিল আৰু ১৯৫৮ চনৰ ২৯ ডিচেম্বৰত তাদানিন্তন উপ-ৰাষ্ট্ৰপতি পণ্ডিত ড০ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে ভৱনটোৰ দ্বাৰ মুকলি কৰিছিল। চলিত বৰ্ষৰ ১৭ এপ্ৰিলত মহাবিদ্যালয়খনে বিশ্ববিদ্যালয় অনুদান আয়োগৰ তৰফৰ পৰা স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ স্বীকৃতিও লাভ কৰে। ঐতিহ্যপূৰ্ণ ডি এইচ এছ কানৈ মহাবিদ্যালয়ে চলিত বৰ্ষৰ ১৫ জুনত ৮০ সংখ্যক গৌৰৱোজ্জ্বল বৰ্ষ অতিক্ৰম কৰিব। সেই উপলক্ষে ১৫ জুনত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত) পৰিয়ালে উলহ-মালহেৰে প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰিবলৈ মনস্থ কৰিছে। দিনৰ ১০ বজাত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱাৰ পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰিবলগীয়া প্ৰতিষ্ঠা দিৱসত আদৰণী ভাষণ প্ৰদান কৰিব মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাই উদ্বোধন কৰিবলগীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এই ঐতিহ্যপূৰ্ণ মহাবিদ্যালয়খনৰ অতীত-বৰ্তমানৰ স্মৃতি সম্পৰ্কে চৰ্চা কৰাৰ লগতে ড০ লক্ষ্মীপ্ৰসাদ দত্ত স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। এই বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি 'Mapping connection with North-East India and South-East Asia : People to people connection' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰিব অসম চৰকাৰৰ ঐতিহাসিক আৰু পুৰাতাত্ত্বিক অধ্যয়ন সঞ্চালকালয়ৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড০ সংগীতা গগৈয়ে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিগত বৰ্ষৰ দৰে এইবাৰো অৱসৰপ্ৰাপ্ত অধ্যাপিকা, বিশিষ্ট লেখিকা তথা সমাজসেৱক ড০ ভাৰতী দত্তক অশ্বিনী চৰণ চৌধুৰী স্মাৰক বঁটা প্ৰদান কৰা হ'ব। লগতে মহাবিদ্যালয়ৰ কলা শাখাৰ শ্ৰেষ্ঠ স্নাতক খিতাপ লাভ কৰা নৃতত্ত্ব বিভাগৰ ছাত্ৰী বনশ্ৰী ভূঞাক ড০ লক্ষ্মীপ্ৰসাদ দত্ত স্মাৰক বঁটা প্ৰদান কৰা হ'ব। সেয়ে উদ্‌যাপন সমিতিয়ে সমূহ সদাশয় ব্যক্তিৰ উপস্থিতি কামনা কৰিছে।

## মহাপুৰুষৰ জন্ম জয়ন্তী পালন



**নগৰ প্ৰতিবেদক, ১২ জুন ঃ** মহাপুৰুষ মাধৱদেৱৰ ৫৩৭ সংখ্যক জন্মজয়ন্তী উপলক্ষে চৌদিশে উঠিছে হৰিনামৰ লহৰ। ৰাজ্য ভিন্নপ্ৰান্তৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘ ডিব্ৰুগড় জিলাৰ শাখাৰ অন্তৰ্গত শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোবিন্দগিৰি প্ৰাথমিক শাখাৰ উদ্যোগত অনুষ্ঠিত হোৱা মাধৱ জয়ন্তীত শিশুৰ পৰা বয়োজ্যেষ্ঠলৈকে সৰ্বস্তৰৰ লোকে অংশগ্ৰহণ কৰে। ধৰ্ম ধ্বজা উত্তোলনৰ